# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছীহ পঞ্চম (আইঃ) য়ে ২০১৭ চনৰ ১০নৱেম্বৰত লণ্ডনৰ বায়তুল ফুতুহ মছজিদত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

কোৰ'আন কৰিমৰ কিমান সুন্দৰ নিৰ্দেশ এয়া যে কোনো জাতি অথবা দলৰ শত্ৰুতাই যেন তোমালোকক এই সম্পৰ্কে উৎসাহিত নকৰে যে তোমালোকে ন্যায় অৱলম্বন নকৰা। এনে আদেশ অইন কোনো ধৰ্মৰ কিতাপত সন্নিবিষ্ট কৰা হোৱা নাই।
এজন মোমিনৰ এয়া কৰ্ত্তব্য নহয় জাতি আৰু বেলেগ ধৰ্মৰ লোকৰ অন্যায়ৰ প্ৰতিশোধ তেনেদৰেই লয় আৰু ন্যায় অৱলম্বন কৰা নহয়।
হে লোক সকল! যি সকলে বিশ্বাস স্থাপন কৰিছা, আল্লাহ তায়লাৰ পক্ষে সাক্ষী স্বৰূপে ন্যায় বিচাৰ দৃঢ়তাৰে প্ৰতিষ্ঠাকাৰী হৈ যোৱা, যদিও নিজে নিজৰ বিৰুদ্ধে সাক্ষী দিব লগা হয় অথবা মাক দেউতা আৰু আত্মীয় স্বজনৰ বিৰুদ্ধে সাক্ষী দিব লগা হয়।

তাশ্বাহুদ তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে তলত উল্লেখিত আয়াত (কোৰ'আনৰ বাক্য) পাঠ কৰে;

يٰۤاَيُّهَا الَّذِيۡنَ اٰمَنُوۡا كُوۡنُوۡا قَوّٰمِيۡنَ بِالۡقِسۡطِ شُهَدَآءَ لِلّٰهِ وَلَوۡ عَلٰۤى اَنۡفُسِكُمۡ اَوِ الۡوَالِدَيۡنِ وَالۡاَقۡرَبِيۡنَ ۚ اِنۡ يَّكُنۡ غَنِيًّا اَوۡ فَقِيۡرًا فَاللّٰهُ اَوۡلٰى بِهِمَا ۖ فَلَا تَتَّبِعُوا الۡهَوٰٓى اَنۡ تَعۡدِلُوۡا ۚ وَاِنۡ تَلۡوٗۤا اَوۡ تُعۡرِضُوۡا فَاِنَّ اللّٰهَ كَانَ بِمَا تَعۡمَلُوۡنَ خَبِيۡرًا (سورۃ النساء:136) يٰۤاَيُّهَا الَّذِيۡنَ اٰمَنُوۡا كُوۡنُوۡا قَوّٰمِيۡنَ لِلّٰهِ شُهَدَآءَ بِالۡقِسۡطِ ۖ وَلَا يَجۡرِمَنَّكُمۡ شَنَاٰنُ قَوۡمٍ عَلٰۤى اَلَّا تَعۡدِلُوۡا ؕ اِعۡدِلُوۡا ۖ هُوَ اَقۡرَبُ لِلتَّقۡوٰى ۖ وَاتَّقُوا اللّٰهَ ؕ اِنَّ اللّٰهَ خَبِيۡرٌۢ بِمَا تَعۡمَلُوۡنَ (سورۃ المائدہ:9) وَمِمَّنۡ خَلَقۡنَاۤ اُمَّةٌ يَّهۡدُوۡنَ بِالۡحَقِّ وَبِهٖ يَعۡدِلُوۡنَ (سورۃ الاعراف:182)

উল্লেখ কৰে যে, আল্লাহ তায়লা যেনেকৈ মুছলমান সকলক ন্যায় বিচাৰ প্ৰতিষ্ঠা কৰাৰ আদেশ প্ৰদান কৰিছে, এনে নিৰ্দেশ বেলেগ কোনো ধৰ্মীয় কিতাপত লিপিবদ্ধ নাই। কিন্তু দুৰ্ভাগ্যবশতঃ বৰ্তমানে সকলো শ্ৰেণীৰ মুছলমানৰ মাজত ভালে সংখ্যক লোক, নেতা সকলৰ মাজত আৰু উলামা সকলৰ মাজত আছে যি সকলে ন্যায় বিচাৰৰ মানদণ্ড ৰক্ষা নকৰে। এনেদৰে ঘৰত, জনসাধাৰণৰ মাজত, সাধাৰণ মুছলমান সকলৰ মাজত সাধাৰণ বিষয় আদিত ন্যায় বিচাৰ বিবেচনাৰ সেই মান দেখিবলৈ পোৱা নাযায় যি আল্লাহ তায়লা প্ৰতিষ্ঠিত কৰিছে। পাৰিবাৰিক মতানৈক্যৰ ক্ষেত্ৰত পুৰুষ, মহিলা দুয়ো পক্ষই মিছা ঘটনাৰ অজুহাত লৈ আদালতত গোচৰ ৰুজু কৰে। মিছা সাক্ষী দিয়ে। নাজায়েজ প্ৰাপ্য আদায় কৰিবলৈ অথবা অইনৰ অধিকাৰ আত্মসাৎ কৰিবলৈ মিছা আৰু অন্যায় জবাণ বন্দীৰ আশ্ৰয় লয়। মুঠতে বেছি সংখ্যক লোকেই সত্যক আগত লৈ কাম নকৰে। মিছা কথা কৈ আদালতক ঠগায়। আকৌ কিছুমান ক্ষেত্ৰত বিচাৰ কৰোতা সকলে নিজৰ স্বাৰ্থৰ বাবে ভূল ৰায় প্ৰদান কৰি থাকে। মুঠতে এনেকুৱা অৱস্থা যে নিজামেই যেন বিনষ্ট হৈ পৰিছে। যিয়েই নহওঁক অন্যায় অবিচাৰে সমাজত বেয়াৰ প্ৰভাৱ বৃদ্ধি কৰি গৈ আছে। আকৌ জাতিৰ শাসনকৰ্ত্তা সকলে ন্যায় বিচাৰৰ মানদণ্ড ৰক্ষা নকৰে এনেকি জনগনৰ বাবেও ন্যায় বজায় নাৰাখে। দেশ সমূহৰ পাৰস্পৰিক সম্পৰ্কতো ন্যায়ৰ চাহিদা পূৰ্ণ নকৰে। নিশ্চয় মুছলমান সকল কল্যাণ মণ্ডিত উম্মত যদি এওঁলোকে আল্লাহ তায়লাৰ আদেশৰ ওপৰত চলে আৰু কোৰ'আন কৰিমৰ শিক্ষাৰ ওপৰত আমল কৰে। ইছলামে নিশ্চিত ভাৱে পৃথিৱীৰ সকলো

সমস্যাৰ সমিধান দিব পাৰে চৰ্ত হ'ল ইয়াৰ শিক্ষা অনুযায়ী অধিকাৰ আৰু ন্যায় বিচাৰ প্ৰতিষ্ঠা কৰিব লাগিব।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, মই কোৰ'আন কৰিমৰ যিবোৰ আয়াত পাঠ কৰিছো সেয়া ছুৰা নিছা, আল মাইদা আৰু আল-আৰাফৰ সংশ্লিষ্ট আয়াত। ছুৰা নিছাৰ পৰা লোৱা আয়াতৰ তৰজমা হ'ল- ''হে লোক সকল ! যি সকল (আল্লাহত) বিশ্বাস স্থাপন কৰিছা আল্লাহ তায়লাৰ পক্ষে সাক্ষী স্বৰূপে ন্যায় বিচাৰ প্ৰতিস্থাকাৰী হৈ যোৱা, যদিও নিজে নিজৰ বিৰুদ্ধে সাক্ষী দিব লগা হয় নাইবা মাক দেউতা আৰু আত্মীয় স্বজনৰ বিৰুদ্ধে সাক্ষী দিব লগা হয়'' হয়তো কোনোবাই ধনী নাইবা দুখীয়া হওঁক, আল্লাহ দুয়োৰে উত্তম নিৰাপত্তা দাতা। গতিকে নিজৰ সকলো ইচ্ছাৰ দাসত্ব নকৰিবা যদি তুমি কপটীয়া কথা কোৱা অথবা আওপাকে ঘুৰি যোৱা তেন্তে আল্লাহ তায়লা তুমি যি কৰা সেয়া ভালদৰে জানে।

গতিকে নিজা পাৰিবাৰিক বিষয়ত আৰু সামাজিক বিষয় আদিৰ ক্ষেত্ৰতও, যেনেকুৱা পৰিস্থিতিয়ে হওঁক সদায় ন্যায় বিচাৰ আৰু ঈমানদাৰীৰ ওপৰত প্ৰতিষ্ঠিত থাকিব লাগিব। মোমিন সকললৈ এয়া নিৰ্দেশ দিয়া আছে যে আল্লাহৰ বাবে আৰু আল্লাহ তায়লাৰ আদেশ অনুযায়ী মোমিনৰ সাক্ষ্য হোৱা উচিত। এয়া সেই সময়ত বাস্তবায়িত হ'ব ঈমানৰ মানদণ্ড শীৰ্ষ বিন্দুলৈ চুঁই যাব আৰু দৃঢ় হ'ব। এই দৃঢ়তা তেতিয়াহে প্ৰমাণিত হ'ব যেতিয়া মানুহে নিজৰ আৰু পত্নী, সন্তান, আৰু প্ৰয়োজনত গৈ মাক দেউতাৰ বিৰুদ্ধে সাক্ষী দিবলৈ সাজু থাকিব। উল্লেখ কৰে যে ইচ্ছাৰ দাসত্বই মানুহক ঈমানদাৰীৰ পৰা আঁতৰাই লৈ যায়। বৰ্তমানে সমাজত বহুতো সমস্যা এই কাৰণেই দেখা দিয়া যে ন্যায় বিচাৰ আৰু ঈমানদাৰীৰ মান সেই পৰ্যায়ত নাই, যিখিনি আল্লাহ তায়লা বিচাৰে। নিজৰ কথা বোৰ ঘুৰাই পকাই কোৱাটো সাধাৰণ কথা হৈ পৰিছে।

অনুতাপৰ বিষয় এয়া যে মাজে সময়ে আমাৰ ফালৰ পৰা কিছুমানে জাগতিক আৰু সামাজিক প্ৰভাৱত প্ৰভাৱন্বিত হৈ হজৰত মছিহ মাওউদ (আঃ) ৰ বয়াত কৰা সত্বেও এনেদৰে কপটীয়া কথা বতৰা কয়। আল্লাহ তায়লা কৈছে যে যদি নিজৰ নাইবা নিজৰ মাক দেউতাৰ ক্ষতিও সাধন হয় তথাপি কেতিয়াও আওপকীয়া কপটীয়া কথা নকবা। সত্যক লুকুৱাবলৈ ছলনা কৰি আওপাকে ঘুৰি নাযাবা আৰু সত্য সাক্ষী দিয়াৰ পৰা আঁতৰি যাবলৈ চেষ্টা নকৰিবা। কিন্তু এনেবোৰ কথা আমি দৈনিক দেখিবলৈ পাই আছো যে, পতি-পত্নীৰ জগত লিখিত ভাৱে কাজা বোৰ্ডলৈ আহে য'ত সত্য বুলিবলৈ একোৱে নেথাকে। লেন দেনৰ ক্ষেত্ৰতও সত্যক লুকুৱাই কাম কৰে। কিছুমান ধৰ্মীয় জ্ঞান ৰাখোতাঁ সকলেও খিদমত কৰাৰ নামত এনে আচৰণ কৰি থাকে যে মানুহে আচৰিত হৈ পৰে যে এই বিদ্যান লোক সকলেও এনেকুৱা ধৰণৰ কথা কৰ পাৰেনে ?

আমি যিজন ইমামক মানি লৈছো তেখেতে কোৰ'আনৰ আদেশৰ ওপৰত চলি এনেকুৱা দৃষ্টান্ত স্থাপন কৰিছে যে বেলেগ ধৰ্মৰ লোক সকলেও তাৰ ওপৰত আচৰিত হৈ শলাগ লৈছে। এবাৰ হজৰত মছিহ মাওউদ (আঃ) য়ে নিজৰ দেউতাক আৰু খেতিয়ক সকলৰ মাজত চলা মোকদ্দমাত ন্যায় বিচাৰ আৰু ঈমানদাৰীৰ মানদণ্ড ৰক্ষা কৰি সত্য প্ৰকাশ কৰাত খেতিয়কৰ লাভ হয় আৰু তেখেত (আঃ) ৰ দেউতাকৰ লোকচান হয়। গতিকে এয়া হ'ল আঁহজৰত (ছাঃ) ৰ সত্য প্ৰাণ দাসৰ জলন্ত আৰ্দশ। আমি এই আৰ্দশ আগত ৰাখি নিজৰ সাক্ষ্য সকলো ক্ষেত্ৰতে বিবেচনা কৰিব লাগিব।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, যদি নিয়ত পৱিত্ৰ হয় আৰু আল্লাহ তায়লাৰ বাবে সাক্ষ্য বহন কাৰী হৈ ন্যায়বিচাৰ দৃঢ় ভাৱে ধৰি ৰাখে আৰু নিজৰ মানদণ্ড মুকলি মূৰীয়া কথাৰ মাজত প্ৰতিষ্ঠিত ৰাখে তেন্তে আল্লাহ তায়লা ৰিজিকত নিজেই বৰকত দান কৰিব। গতিকে আমি সদায় নিজকে নিজে বিচাৰ বিবেচনা কৰি চোৱা উচিত। বিচাৰৰ এনে মানদণ্ড প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা নকৰো তেন্তে নে ঘৰত শান্তি থাকিব, নে সমাজত শান্তি আৰু নিৰাপত্তা অটুট থাকিব পাৰিব। ছুৰা মাইদাৰ ৯ নম্বৰ আয়াতত আল্লাহ তায়লা কৈছে যে-হে বিশ্বাসী সকল, আল্লাহ তায়লাৰ কাৰণে ন্যায় সাক্ষী প্ৰদানত তোমালোক দৃঢ় হৈ থাকিবা আৰু কোনো সম্প্ৰদায়ৰ (দলৰ) শত্ৰুতাই যেন তোমালোকক ন্যায় বাটৰ পৰা বিচলিত হ'বলৈ উৎসাহিত নকৰে যে তোমালোকে ন্যায় বিচাৰ নকৰা। ন্যায় বিচাৰ কৰিবা এয়া তাকওয়াৰ অতি কাষত আৰু আল্লাহ তায়লাক ভয় কৰি চলিবা, নিশ্চয় আল্লাহ তোমালোকৰ কাৰ্য্য সম্পৰ্কে জ্ঞাত।

হুযুৰ আনোৱাৰ (আইঃ)য়ে কয় যে; কিছুমান ঠাইত ধৰ্মীয় মতানৈক্য ঘটে সেয়ে বেলেগ ধৰ্মৰ লোক সকলে

অনাচাৰী দেখুৱায়, ঠিক এনেকুৱা অৱস্থাত এজন মোমিনৰ কৰ্ত্তব্য এয়া নহয় যে অনচাৰীৰ প্ৰতিশোধ সদাচাৰহীনতাৰে তেনেদৰেই লয় আৰু ন্যায় বিচাৰৰ মান ৰক্ষা নকৰে। এজন প্ৰকৃত মোমিনৰ কাম হ'ল আল্লাহ তায়লাৰ আদেশ সমূহ পালন কৰা সামান্যতমও যেন সেয়া আওকান কৰা নহয়। ন্যায় বিচাৰৰ সহযোগিতাত সাক্ষীদাতা হোৱাৰ মূল অৰ্থ হ'ল এয়া যে ইছলামী শিক্ষাৰ ওপৰত এনেদৰে আমল কৰা যে তোমালোকৰ কাৰ্য্যৰ দৃষ্টান্ত যেন বেলেগ ধৰ্মৰ লোকলৈ এটা উদাহৰণ স্বৰূপ হয়। বেলেগ সম্প্ৰদায়লৈ যেন আদৰ্শ স্বৰূপ হয়। বৰ্তমানে পশ্চিমীয়া দেশবোৰত মুছলমান সকলৰ অন্যায় সম্পৰ্কে বহুত সমালোচনা হৈ থাকে যে যি সকলে নিজৰ স্বধৰ্মীয় সকলৰ সৈতে ন্যায় বিচাৰ নকৰে, তেওঁলোকে বেলেগ ধৰ্মাৱলম্ভী সকলৰ সৈতে কিনো ন্যায় বিচাৰ কৰিব। এয়া বৰ বেদনাযুক্ত ঘটনা আৰু মুছলমানেই ইছলামৰ অপযশ ৰটনা কৰি আছে। শাসক সকলেই জনগণৰ অধিকাৰ খৰ্ব কৰি আছে। জনগণে চৰকাৰৰ সৈতে দন্দ্বত লিপ্ত হৈ আছে। নামধাৰী ইছলামী দলবোৰে নিজৰ লোক সকলক হত্যা কৰি আছে আৰু বিদেশতও অত্যাচাৰী আচৰণ কৰিবলৈ লৈছে আৰু নিজৰ অত্যাচাৰ শুদ্ধ বুলি প্ৰমাণিত কৰিবলৈ কৈ আছে যে এওঁলোকে আমাৰ লোক সকলক হত্যা কৰি আছে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, যিয়েই নহওঁক এই সাম্প্ৰদায়িক শত্ৰুতাই আগলৈ আৰু বেছি শত্ৰুতাৰ জন্ম দিব আৰু এয়া কেতিয়াও অন্ত নপৰে। সেই কাৰণে আল্লাহ তায়লা কৈছে যে কোনো সম্প্ৰদায়ৰ শত্ৰুতাই যেন তোমালোকক ন্যায় বিচাৰৰ পৰা আঁতৰি পৰিবলৈ বাধ্য নকৰে। যি সকল অ-মুছলিম আমাৰ বিৰুধী, তেওঁলোকে আমাৰ বিৰুধীতা এই কাৰণেই কৰে যে মুছলমানৰ কাৰ্য পন্থা ইছলামী শিক্ষাৰ পৰিপন্থী। দৰাচলতে উচিত হ'ল মুছলমান সকলে নিজৰ আদৰ্শ দেখুৱাই ইছলামৰ মনোৰম শিক্ষা জগতক জনাই ইছলামৰ তবলিগ কৰি যাব কিন্তু ইয়াত তাৰ বিপৰীত কাম চলি আছে। মুছলমান দেশবোৰত জুলুম অত্যাচাৰৰ বাহিৰে একো নাই। কোৰ'আন কৰিমৰ কিমান সুন্দৰ নিৰ্দেশ এয়া যে কোনো জাতি অথবা সম্প্ৰদায়ৰ শত্ৰুতাই যেন তোমালোকক এই সম্পৰ্কে উদগণি নিদিয়ে যে তোমালোকে ন্যায় অৱলম্বন নকৰা। এনে আদেশ অইন কোনো ধৰ্মৰ কিতাপত সন্নিবিষ্ট কৰা হোৱা নাই।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, শত্ৰুৰ সৈতেও আচাৰ আচৰণত ন্যায় বিচাৰ বিদ্ধমান ৰাখিব লাগিব। কিন্তু অনুতাপৰ বিষয় এয়া যে এই সুন্দৰ শিক্ষা থকা সত্বেও মুছলমানৰ ব্যাৱহাৰে অ-মুছলিম জগতত ইছলামক বদনাম কৰি আছে। আঁহজৰত (ছাঃ) য়ে চাহাবা সকলক বৰ সুক্ষ্ম ভাৱে এই বিষয়ে আমল কৰোৱাইছিল। এবাৰ যুদ্ধৰত অৱস্থাত ভুলক্ৰমে এজনী মহিলা এজন চাহাবাৰ হাতত মৃত্যুবৰণ কৰে, কথাটো তেখেত (ছাঃ) য়ে জনাৰ পিছত সেই চাহাবা জনৰ সৈতে তেখেত (ছাঃ) য়ে বৰ ক্ৰোধান্বিত হৈ পৰে। উল্লেখ আছে যে ইয়াৰ আগত কেতিয়াও তেখেত (ছাঃ) ক এনেকুৱা ক্ৰোধান্বিত দেখা নগৈছিল। চাহাবা জনে কৈছিল যে ভুলক্ৰমে এই দুৰ্ঘটনা সংগঠিত হৈছে তথাপি তেখেত (ছাঃ) য়ে বৰ দুঃখ পাইছিল যে ইয়াতে ন্যায় বিচাৰ প্ৰতিষ্ঠা হোৱা নাই।

আন এটা ৰেৱায়েত আছে যে এজন ইহুদীৰ ওচৰত এজন চাহাবা চাৰি দেৰহাম ঋণ আছিল যাৰ পৰিশোধ কৰাৰ তাৰিখ উকলি গৈছিল। সেই ইহুদীজনে আহি আঁহজৰত (ছাঃ) ৰ ওচৰত অভিযোগ কৰে যে অমুক ব্যক্তি জনে মোৰ পৰা লোৱা চাৰি দেৰহাম ঘুৰাই দিয়া নাই। ৰছুলুল্লুাহ (ছাঃ) য়ে সেই চাহাবা জনক মতাই আনে যাৰ নাম আব্দুল্লাহ আছিল। মাতি আনি আদেশ দিয়ে যে এই ইহুদীজনৰ ঋণ পৰিশোধ কৰি দিয়া। হজৰত আব্দুল্লাহ নিবেদন কৰে যে সেই সত্তাৰ শপত লৈছো যি জনাই আপোনাক সত্যৰ সৈতে প্ৰেৰণ কৰিছে, মোৰ ঋণ পৰিশোধ কৰাৰ সক্ষমতা নাই। তেখেত (ছাঃ) য়ে আকৌ কয় যে এই ব্যক্তিজনৰ ঋণ পৰিশোধ কৰি দিয়া। হজৰত আব্দুল্লাহ নিবেদন কৰে যে মই তেওঁক কৈছো যে তেখেত (ছাঃ) য়ে আমাক খয়বৰৰ যুদ্ধলৈ পঠাব আৰু গনিমতৰ মালৰ পৰা অলপ ভাগ দিব তেতিয়া ঘুৰি আহি তাৰ ঋণ পৰিশোধ কৰি দিম। তেখেত (ছাঃ) য়ে আকৌ কয় যে তাৰ ঋণ পৰিশোধ কৰি দিয়া। নবী কৰিম (ছাঃ) য়ে যেতিয়া কোনো কথা তিনিবাৰ কৈছিল তেতিয়া সেয়া চুৰান্ত ৰায় বুলি ধৰা হৈছিল। গতিকে হজৰত আব্দুল্লাহ তেতিয়াই বজাৰলৈ গৈ নিজে লুঙি হিচাপে পিন্ধি থকা এখন চাদৰ খুলি লৈ ইয়াৰ সলনি মুৰত বন্ধা কাপোৰ লুঙি হিচাপে পিন্ধি চাদৰ খন চাৰি দেৰহামত বিক্ৰি কৰি ইহুদী জনৰ ঋণ পৰিশোধ কৰি দিয়ে। যিয়েই নহওঁক এয়া আছিল

ন্যায়ৰ মানদণ্ড। ইহুদী জনক এয়া কোৱা নাছিল যে তেওঁ (আব্দুল্লাহ) যেতিয়া সময় বিচাৰিছে তাক সময় দিয়া বৰং নিজৰ চাহাবা জনক কৈছিল যে অনতি পলমে ঋণ পৰিশোধ কৰি দিয়া যাৰ ফলত চাহাবাজনে নিজৰ পিন্ধা কাপোৰ বিক্ৰি কৰিব লগা হয়। যিয়েই নহওঁক এয়া হ’ল ঈমানদাৰী আৰু ন্যায় বিচাৰৰ মানদণ্ড। এই মানদণ্ড আমি সকলো ক্ষেত্ৰতে বিদ্ধমান ৰাখিব লাগিব। তেতিয়া হে আমি এই যুগত আঁহজৰত (ছাঃ) ৰ সত্য প্ৰাণ দাসৰ প্ৰকৃত মান্যকাৰীত পৰিগণিত হ’ব পাৰিম আৰু আমি হজৰত মছিহ মাওউদ (আঃ) ৰ বয়াতৰ উদ্দেশ্য পূৰ্ণ কৰোঁতা হ’ব পাৰিম।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, ছুৰাতুল আৰাফৰ যি আয়াত মই পাঠ কৰিছো তাত আল্লাহ তায়লা কৈছে যে, যি সকলক আমি সৃষ্টি কৰিছো তাত এনেকুৱা এটা দলত্ত আছে, যি সকলে সত্যৰ সৈতে মানুহক পথ প্ৰদৰ্শন কৰে আৰু তাৰে সৈতে (সকলোৰে লগত) ন্যায় আচৰণ কৰি থাকে। যেতিয়ালৈকে মানুহ নিজে হিদায়েত প্ৰাপ্ত নহয় সেই ক্ষেত্ৰত বেলেগক কেনেকৈ হিদায়েত দিব। যেতিয়ালৈ মানুহ নিজে ন্যায় অৱলম্বন নকৰিব, বেলেগক কেনেদৰে ন্যায় বিচাৰ প্ৰদান কৰিব। গতিকে আমি হজৰত মছিহ মাওউদ (আঃ) ৰ বয়াতৰ শপত পালন কৰি তেখেত (আঃ) ৰ এই মিচন শেষ প্ৰান্তলৈ লৈ যাব লাগিব আৰু ইছলামৰ পয়গাম জগতবাসী লৈ প্ৰচাৰ কৰিব লাগিব আৰু তবলিগৰ হক আদায় কৰিব লাগিব।

আল্লাহ তায়লা আমালোকক তাৰ নিৰ্দেশৰ ওপৰত জীৱণ যাপন কৰাৰ তৌফিক দান কৰক। হজৰত মছিহ মাওউদ (আঃ) ৰ বয়াতৰ হক আদায়কাৰী বনাওঁক। আমি যেন বেলেগৰ বাবে হিদায়েত আৰু ন্যায় বিচাৰৰ দৃষ্টান্ত স্থাপন কাৰী হ’ব পাৰো।

খুতবা জুমাৰ শেষত হুযুৰ আনোৱাৰ (আঃ) য়ে মকৰৰম হোচেন মহম্মদ খান আৰিফ চাহাব ইবনে মকৰৰম ফজল মহম্মদ খান চাহাব (চিমুলিৰ) নমাজে জানাজা গায়েব পঢ়াৰ ঘোযনা কৰে আৰু মৰহুমৰ পৱিত্ৰ জীৱণ চৰিত্ৰৰ দু-এষাৰ বৰ্ণনা কৰে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন।

*********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 10 November 2017**

**BOOK POST (PRINTED MATTER)**

**To**

------------------------------------------------------------

------------------------------------------------------------

------------------------------------------------------------

------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/N- IV, Bongaigaon Assam 783384. # 7086177737**